# Telephonic conversation between Prime Minister and His Excellency Mahinda Rajapaksa, Prime Minister of Sri Lanka

May 27, 2020

# প্ৰধানমন্ত্ৰী আৰু শ্ৰীলংকাৰ প্ৰধানমন্ত্ৰী মহামান্য মহিন্দা ৰাজাপাক্ষাৰ মাজত টেলিফোন যোগে বাৰ্তালাপ

মে’ 27, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি শ্ৰীলংকাৰ প্ৰধানমন্ত্ৰী মহামান্য মহিন্দা ৰাজাপাক্ষাক শ্ৰীলংকাৰ সাংসদত পদাৰ্পণৰ সুনালী জয়ন্তী উপলক্ষে অভিনন্দন জ্ঞাপন কৰে।

প্ৰধানমন্ত্ৰীয়ে এই সুদীৰ্ঘ ৰাজনৈতিক জীৱনত শ্ৰীলংকাৰ উন্নয়নৰ ক্ষেত্ৰত মহামান্য ৰাজাপাক্ষাই আগবঢ়োৱা বৰঙণিৰ কথা স্মৰণ কৰে আৰু সাফল্যমণ্ডিত ভৱিষ্যতৰ বাবে শুভেচ্ছা জনায়।

প্ৰধানমন্ত্ৰীয়ে লগতে ভাৰতীয় মূলৰ শ্ৰীলংকাৰ তামিল নেতা অৰুমুগান থণ্ডামানৰ আকস্মিকভাৱে হোৱা অকাল বিয়োগত সমবেদনা জ্ঞাপন কৰে। ভাৰত আৰু শ্ৰীলংকাৰ উন্নয়নৰ অংশীদাৰিত্বত থণ্ডামানৰ ভূমিকাৰ কথা প্ৰধানমন্ত্ৰীয়ে স্মৰণ কৰে।

ক’ভিড-19 মহামাৰীৰ পৰিপ্ৰেক্ষিতত উদ্ভৱ হোৱা স্বাস্থ্য আৰু আৰ্থিক পৰিস্থিতিৰ সন্দৰ্ভত আৰু এই ক্ষেত্ৰত পৰস্পৰ দেশে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে দুয়োগৰাকী নেতাই আলোচনা কৰে। এই প্ৰত্যাহ্বানৰ সময়ছোৱাত ভাৰতে শ্ৰীলংকাক সম্ভৱপৰ সকলো সহায় আগবঢ়াব বুলি প্ৰধানমন্ত্ৰীয়ে মহামান্য ৰাজাপাক্ষাক আশ্বাস প্ৰদান কৰে।

**নতুন দিল্লী**
**মে’ 27, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.